# খেতিয়ক ৰাইজৰ জ্ঞাতাৰ্থে

কৃষি খণ্ডত নিশ্চিত জলসিঞ্চনৰ ব্যৱস্থাপনাৰ অৰ্থে গ্ৰামীন আন্তঃগাঠনি উন্নয়ন অনুদান (RIDF) আঁচনিৰ অধীনত অ-গভীৰ নলীনাদ স্থাপনৰ বাবে অসম চৰকাৰৰ কৃষি বিভাগে অনুমোদন প্ৰদান কৰিছে।

এই আঁচনিত নিম্ন লিখিত প্ৰণালিত ৰাজ-সাহাৰ্য্য প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

| ক্ৰমিক নং | অ-গভীৰ নলীনাদৰ প্ৰকাৰ | ৰাজ-সাহাৰ্য্য পৰিমাণ | খেতিয়কে বহন কৰিবলগা ধনৰ পৰিমাণ | মন্তব্য |
|---|---|---|---|---|
| ১ | ডিজেল / বিদ্যুত চালিত পাম্পৰ অ-গভীৰ নলীনাদ | মুঠ খৰচৰ ৫০% (মুঠ খৰচ=নলীনাদ স্থাপনৰ খৰচ + পাম্পচেটৰ খৰচ) | মুঠ খৰচৰ ৫০% (মুঠ খৰচ=নলীনাদ স্থাপনৰ খৰচ + পাম্পচেটৰ খৰচ) | |
| ২ | সৌৰশক্তিৰ দ্বাৰা চালিত অ-গভীৰ নলীনাদ | নলীনাদ স্থাপনৰ খৰচৰ ৫০% + সৌৰশক্তি চালিত পাম্পচেটৰ স্থাপনৰ ৮৫% | নলীনাদ স্থাপনৰ খৰচৰ ৫০% + সৌৰশক্তি চালিত পাম্পচেটৰ স্থাপনৰ ১৫% | সৌৰশক্তি চালিত পাম্পচেটৰ অ-গভীৰ নলীনাদৰ বাবে আবেদন কৰা কৃষক সকলে আবেদন পত্ৰৰ লগত ১০,০০০/- টকা আগধন হিচাপে কৃষি বিভাগৰ সংশ্লিষ্ট কাৰ্য্যালয়ত জমা দিব লাগিব। এই আগধন ৰাশি অ-গভীৰ নলীনাদ স্থাপনৰ পিছত ঘুৰাই দিয়া হ'ব। |

ৰাজ-সাহাৰ্য্য সমূহ উপভোক্তা কৃষকৰ বেংক একাউন্টত কাৰ্য্য সম্পাদনৰ প্ৰতিবেদনৰ ভিত্তিত DBT প্ৰণালীৰ জৰিয়তে জমাকৰা হ'ব।

এই আঁচনিৰ কাৰ্য্যকৰী কৰাৰ নিয়মাৱলীৰ লগতে আবেদন পত্ৰ আদি স্থানীয় জিলা কৃষি বিষয়া/ কাৰ্য্যবাহী কৃষি অভিযন্তা (কৃষি) /সহকাৰী কাৰ্য্যবাহী অভিযন্তা (কৃষি) ৰ কাৰ্য্যলয়ত উপলব্দ হোৱাৰ উপৰিও www.rkvyassam.in ৱেবচাইটত উপলব্দ হ'ব।

ইয়াৰ দ্বাৰা ইচ্ছুক ব্যক্তিগত খেতিয়ক বা খেতিয়কৰ গোট সমূহক ওপৰত উল্লেখ কৰা স্থানীয় কৃষি বিভাগৰ কাৰ্য্যালয় বা স্থানীয় কৃষি উন্নয়ন বিষয়াৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

# দুৰদৰ্শন যোগে প্ৰচাৰ কৰিবলগীয়া বাৰ্তা

অসম চৰকাৰৰ কৃষি বিভাগে কৃষি খণ্ডত নিশ্চিত জলসিঞ্চনৰ ব্যৱস্থাপনাৰ অৰ্থে গ্ৰামীন আন্তঃগাঠনি উন্নয়ন অনুদান (RIDF) আঁচনিৰ অধীনত অ-গভীৰ নলীনাদ স্থাপনৰ বাবে ৰাজসাহায্যৰ অনুমোদন প্ৰদান কৰিছে। ইচ্ছুক কৃষক সকলে সবিশেষ তথ্যৰ বাবে স্থানীয় জিলা কৃষি বিষয়া, কৃষি অভিযন্তা বা কৃষি উন্নয়ন বিষয়াৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হ'ল।